# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-11-2024
**Time :** 0755 Hrs

### *Assamese Morning Bulletin*
ooooooo

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে পাঁচোটা সমষ্টিতে জয়লাভ কৰিবলৈ সক্ষম হৈছে। ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰি সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিছে।

বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীয়ে ৩৫ হাজাৰতকৈ অধিক ভোটত জয়লাভ কৰে। একেদৰে, চিদলী সমষ্টিত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী ইউ পি পি এলৰ নিৰ্মল কুমাৰ ব্ৰহ্মাই ৩৭ হাজাৰতকৈ অধিক ভোটত জয়ী হৈছে।

নগাঁও জিলাৰ চামগুৰি সমষ্টিত বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই ২২ হাজাৰতকৈ অধিক ভোটত জয়লাভ কৰে।

বিহালী সমষ্টিত বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱালে ৯ হাজাৰতকৈ অধিক ভোটত জয়ী হৈছে। ধলাই সমষ্টিত বিজেপি প্ৰাৰ্থী নিহাৰ ৰঞ্জন দাসে জয়লাভ কৰিছে।

উপ-নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে আটাইকেইখন আসনতে জয়লাভ কৰাৰ পিছত বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই ভোটদাতা ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। সভাপতিগৰাকীয়ে লগতে কয়, যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ পদক্ষেপৰ বাবে সমষ্টিকেইটাৰ ভোটদাতাসকলে শাসকীয় দলটোৰ পক্ষত জনমত দিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দলীয় কৰ্মীসকলৰ লগতে ভোটদাতাসকললৈ ধন্যবাদ জ্ঞাপন কৰিছে। চামগুৰি সমষ্টিত ২৫ বছৰৰ অন্তত বিজেপি প্ৰাৰ্থীয়ে জয়লাভ কৰাটোৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সু-শাসন আৰু উন্নয়ন নীতিৰ বাস্তৱিক তথা সাৰ্থক ৰূপটোকে প্ৰতিফলিত কৰিছে। বিজেপি চৰকাৰৰ কল্যাণকামী মনোভাৱাপন্ন কাৰ্যপ্ৰণালীৰ প্ৰতি ৰাইজৰ সমৰ্থন আৰু বিৰোধীৰ বিভাজনকামী ৰাজনীতিক প্ৰত্যাখ্যান কৰা বুলি তেওঁ উল্লেখ কৰে।

অসম বিধানসভাৰ উপ নিৰ্বাচনত ঐতিহাসিক বিজয়ত আনন্দ প্ৰকাশ কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে এই জয়যাত্ৰা  অপ্ৰতিৰোধ্য বিজেপি নেতৃত্বাধীন এন ডি এৰ জয়যাত্ৰা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ নেতৃত্বত সবকা সাথ সবকা বিকাশ নীতিৰে চৌদিশে যি আমূল পৰিৱৰ্তনৰ সূচনা হৈছে, তাৰে পৰিপ্ৰেক্ষিতত সৰ্বস্তৰৰ ৰাইজৰ আস্থা বিশ্বাস, সঁহাৰি সমৰ্থন পূৰ্ণোদ্যমে অটুত আছে বিজেপিৰ পক্ষত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনকল্যাণকামী নীতিয়ে সকলোৰে জীৱনলৈ অভূতপূৰ্ব পৰিৱৰ্তন কঢ়িয়াই আনিছে বুলিও তেওঁ উল্লেখ কৰে।

ooooooo

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু আহোম জাতীয় গণমঞ্চৰ উদ্যোগত ডিব্ৰুগড়ত ৪০২ সংখ্যক বীৰ লাচিত দিৱসৰ আয়োজন কৰা হৈছে। ডিব্ৰুগড় জিলা প্ৰশাসন আৰু পথালিবাম অঞ্চলৰ ৰাইজৰ সহযোগত মৰাণৰ পানীতোলা গ্ৰাণ্ট মজলীয়া বিদ্যালয় খেলপথাৰত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। দিনৰ ১ বজাৰ পৰা আৰম্ভ হ'বলগীয়া ৪০২ সংখ্যক বীৰ লাচিত দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অসম চৰকাৰৰ সাংস্কৃতিক

পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী যোগেন মোহনকে ধৰি বীৰ লাচিত দিৱসৰ কাৰ্যসূচীত ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী আৰু কেইবাগৰাকীও স্থানীয় বিধায়কে অংশগ্ৰহণ কৰিব। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক প্ৰাঞ্জল বুঢ়াগোহাঁইয়ে নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব।

লাচিত দিৱসৰ লগত সংগতি ৰাখি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নকুল চন্দ্ৰ ভূঞাৰ দ্বাৰা ৰচিত লাচিত বৰফুকন শীৰ্ষক কবিতাটোৰ উদ্ধৃতিৰে ৰাজ্যৰাসীক লাচিত দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে কালি বোকাখাত মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালতৰ নতুন ভৱনটো মুকলি কৰে। মুখ্য ন্যায়াধীশগৰাকীয়ে এই সন্দৰ্ভত কয়, যে এই ছমহলীয়া নতুন ভৱনটোত সকলো সুবিধা আছে। আনহাতে উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কয়, যে ন্যায়িক ব্যৱস্থাৰ আন্তঃগাঁথনি সবল কৰাৰ উদ্দেশ্যেৰে ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰচেষ্টা গ্ৰহণ কৰি আহিছে। এই প্ৰচেষ্টাৰ অংশ হিচাপে গুৱাহাটী উচ্চ ন্যায়ালয়কে ধৰি জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতৰ আন্তঃগাঁথনি উন্নীতকৰণৰ কাম চলাই থকা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। অসমক অপৰাধশূন্য ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ তেওঁ সকলোৰে সহায়-সহযোগিতাৰ আহ্বান জনায়। ভাষণ প্ৰসংগত তেওঁ নিম্ন আদালতত মাতৃভাষা প্ৰয়োগ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি এইক্ষেত্ৰত অধিবক্তা সমাজকে ধৰি সকলোৰে সহযোগিতা কামনা কৰে।

০০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত ডিব্ৰুগড়ৰ চৌকিডিঙি খেলপথাৰত কালিৰ পৰা অসমী সৰস মেলা ২০২৪ আৰম্ভ হৈছে। দহদিনীয়াকৈ হ'বলগীয়া এই মেলাৰ শুভাৰম্ভ অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, দুলিয়াজানৰ বিধায়ক তেৰছ গোৱালা, মৰাণৰ বিধায়ক চক্ৰধৰ গগৈ, জিলা আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালককে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মেলাখনত ৰাজ্যৰ লগতে গোৱা, উত্তৰ প্ৰদেশ, পাঞ্জাব, কেৰালা, ছিকিম, জম্মু-কাশ্মীৰ, অৰুণাচল প্ৰদেশৰ কেইবাটাও আত্মসহায়ক গোটে অংশগ্ৰহণ কৰে।

০০০০০০

**সমাপ্ত**